# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-03-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

আসন্ন বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে জিলাই জিলাই নিৰ্বাচনী তৎপৰতা বৃদ্ধি হৈছে। নিৰ্বাচনী প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা আয়ুক্তসকলে ৰাজনৈতিক দলসমূহৰ সৈতে আলোচনাত মিলিত হোৱাৰ উপৰি নিৰ্বাচনী আচৰণ বিধি মানি চলিবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। নিৰ্বাচন আয়োগে ইতিমধ্যে অসমৰ বাবে ৫১ গৰাকী সাধাৰণ পৰ্যবেক্ষক, ৩৫ গৰাকী আৰক্ষী পৰ্যবেক্ষক আৰু ৫০ গৰাকী ব্যয় পৰ্যবেক্ষক নিয়োগ কৰিছে।

বাক্সা জিলাৰ মানাহ আৰু বাক্সা বিধানসভা সমষ্টিৰ বাবে আজি দুগৰাকী বিষয়া পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হয়। তেওঁলোকে কাইলৈৰ পৰা প্ৰতিদিনে বিয়লি ৪ ৰ পৰা ৫ বজাৰ ভিতৰত বাক্সা আৱৰ্ত ভৱনৰ সন্মিলনকক্ষত জনসাধাৰণ তথা ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলৰ আবেদন বা অভিযোগ গ্ৰহণ কৰিব। ওদালগুৰি জিলাৰ ভেৰগাওঁ, মাজবাট আৰু টংলা সমষ্টিৰ বাবে যুটীয়া আয়ুক্ত নিৰ্মল জয়ক আজি ব্যয় পৰ্যবেক্ষক নিযুক্তি দিয়া হয়। তামুলপুৰ জিলাৰ দুয়োটা সমষ্টিৰ বাবে নিযুক্তি দিয়া ব্যয় পৰ্যবেক্ষক গৰাকী আজি জিলাখনত উপস্থিত হয়।

oooo

বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। এ আই ইউ ডি এফ দলে আজি ১২ টা সমষ্টিৰ বাবে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। দলটোৱে প্ৰথমখন প্ৰাৰ্থীৰ তালিকাত ৯টা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছিল।

অসম জাতীয় পৰিষদ দলেও আজি ৮ টা সমষ্টিৰ বাবে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। দলটোৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে খোৱাং সমষ্টিত আৰু কাৰ্যকৰী সভাপতি ৰাজেন গোহাইয়ে বঢ়মপুৰ সমষ্টিত প্ৰাৰ্থীত্ব আগবঢ়াব।

বিজেপিয়ে কাইলৈ বা পৰহিলৈ পুৱাৰ ভিতৰত প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত বিজেপিৰ সংসদীয় পৰিষদৰ বৈঠকত মুখ্যমন্ত্ৰী, ৰাজ্যিক বিজেপিৰ সভাপতিকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতাই দলৰ কেইবাগৰাকীও কেন্দ্ৰীয় নেতাৰ সৈতে মিলিত হয়। বৈঠকৰ অন্তত মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত বিজেপিৰ প্ৰাৰ্থীৰ তালিকা সন্দৰ্ভত এনেদৰে প্ৰকাশ কৰে।

**বাইট - মুখ্যমন্ত্ৰী**

অহা ২০ মাৰ্চত বি পি এফৰ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰা হ'ব বুলি বি টিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে প্ৰকাশ কৰিছে। মুছলপুৰত আজি বি পি এফৰ সকলো উপ সমিতিৰ এখন বৈঠকত অংশ লৈ শ্ৰীমহিলাৰীয়ে এইদৰে কয়।

ইপিনে, নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ সংগ্ৰহ প্ৰক্ৰিয়াও আৰম্ভ হৈছে। চি পি আই এম দলৰ নেতা তথা সৰভোগৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে আজি বজালী জিলা নিৰ্বাচনী কাৰ্যালয়ৰ পৰা মনোনয়ন পত্ৰ সংগ্ৰহ কৰে।

উল্লেখযোগ্য যে, ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ বাবে অহা ৯ এপ্ৰিলত এটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰাৰ্থীসকলে অহা ২৩ মাৰ্চ পৰ্যন্ত মনোনয়ন দাখিল কৰিব পাৰিব আৰু ২৬ মাৰ্চ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ২৮ মাৰ্চত মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ৪ মে'ত নিৰ্বাচনী ফলাফল ঘোষণা কৰা হ'ব।

০০০০

বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকাৰ সৃষ্টিৰাজি সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাই এখন গৱেষণা গ্ৰন্থ প্ৰকাশ কৰিব। শিল্পীগৰাকীৰ জন্মশতবৰ্ষ উদযাপনৰ সৈতে সংগতি ৰাখি সংগঠনটোৱে এই পৰিকল্পনা গ্ৰহণ কৰিছে। এই গ্ৰন্থত সুধাকণ্ঠৰ নিকট সান্নিধ্য লাভ কৰা কমেও ৫০গৰাকী ব্যক্তিৰ লেখাৰে এই গ্ৰন্থখন প্ৰণয়ন কৰা হ'ব বুলি সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই প্ৰকাশ কৰিছে। সংগঠনটোৰ আজি গুৱাহাটী বিবেকানন্দ কেন্দ্ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত জৰুৰী কাৰ্যনিৰ্বাহক বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়।

বৈঠকত ৰাজ্যখনৰ কেইবাটাও গুৰুত্বপূৰ্ণ সমস্যা সন্দৰ্ভত আলোচনা কৰা হয়। তদুপৰি নিৰ্বাচনৰ সময়ছোৱাত নিৰপেক্ষতা বৰ্তাই ৰখাৰ বাবে সংগঠনটোৰ নেতাসকলে প্ৰতিগৰাকী সদস্যক আহ্বান জনায়। এই বৈঠকত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰৰ দাবী সন্দৰ্ভতো আলোচনা কৰা হয়। অহা ১৯ মাৰ্চত জুবিন গাৰ্গৰ মৃত্যু ছমাহ পূৰ্ণ হোৱাৰ দিনা ছাত্ৰ সন্থাই ৰাজ্যৰ প্ৰতিখন জিলা সদৰতে বিশেষ শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী ৰূপায়ণ কৰাৰ বিষয়েও সিদ্ধান্ত লোৱা হয়। ০

০০০০

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষা সঞ্চালকালয়ৰ উদ্যোগত আৰু বিশ্ববিদ্যালয়খনৰ কৃষি অৰ্থনীতি বিভাগ তথা কেন্দ্ৰৰ সহযোগত আজিৰে পৰা দুদিনীয়াকৈ **সমাজ বিজ্ঞান গৱেষণাৰ বাবে তথ্য বিশ্লেষণ** শীৰ্ষক ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰা হৈছে। কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ নৱ নিযুক্ত উপাচাৰ্য ড০ দীপজ্যোতি ৰাজখোৱাই প্ৰাকৃতিক আৰু মানৱ সৃষ্ট কাৰ্যকলাপৰ বাবে পৰিৱৰ্তিত জলবায়ুত অসমৰ কৃষি ব্যৱস্থা বিষয়ত আলোকপাত কৰে। অনুষ্ঠানত অসম কৃষি বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষা সঞ্চালক ড০ অনুপ কুমাৰ দাসকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

নিয়মীয়া বাৰ্তা কাকতৰ জ্যেষ্ঠ সাংবাদিক উৎপল চক্ৰৱৰ্তীৰ আজি সন্ধিয়া গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৭ বছৰ। অসমীয়া খবৰ, আজিৰ দৈনিক বাতৰিকে ধৰি কেবাখনো কাকতত নিষ্ঠা আৰু সততাৰে সাংবাদিকতাৰ দায়িত্ব পালন কৰি অহা জ্যেষ্ঠ সাংবাদিকগৰাকীৰ মৃত্যুত অসম বাৰ্তাজীৱি সংঘকে ধৰি বিভিন্ন সাংবাদিক সংগঠনে শোক প্ৰকাশ কৰিছে।

ডিব্ৰুগড়ৰ পশ্চিম মিলননগৰ নিৱাসী ব্যৱসায়ী, সমাজকৰ্মী হীৰাকান্ত দাসৰ আজি পুৱা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৪ বছৰ। হীৰাকান্ত দাসৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। ০০০০

০০০০

ঃঃ সমাপ্ত ঃঃ